**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-06-2025 **Time :** 1800 Hrs.

## Assamese Evening Bulletin

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰৰ ১৪৭ নম্বৰ তৈল ক্ষেত্ৰত গেছ নিৰ্গমন ৰোধৰ বাবে গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে। উল্লেখযোগ্য যে যোৱা ২২ জুনৰ পৰা ধাৰাবাহিকভাৱে এই অঞ্চলটোত গেছ নিৰ্গমন হৈ আছে। ইয়াৰ মাজতে আজি পুৱা ২০৪ নম্বৰ খাৰুৱা তেল খাদত গেছৰ অত্যধিক চাপৰ বাবে এটা মৃদু বিস্ফোৰণ সংঘটিত হয়। স্থানীয় লোকে এই সন্দৰ্ভত কৰ্তৃপক্ষক খবৰ দিয়াৰ পাছত অ' এন জি চি কৰ্তৃপক্ষই পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। বিধায়ক অখিল গগৈয়ে গেছ নিৰ্গমন ৰোধ কৰিব নোৱাৰাৰ বাবে অ' এন জি চি কৰ্তৃপক্ষক সমালোচনা কৰে। তেওঁ তিনি দিনৰ ভিতৰত বহিঃৰাজ্যৰ পৰা বিশেষজ্ঞ আনি গেছ নিৰ্গমন বন্ধ কৰিবৰ বাবে কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ কলাগুৰু বিষ্ণুৰাভা দিৱস উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰে কাইলৈ বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰিব। কাইলৈ নলবাৰীত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহিদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগবঢ়োৱা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহযোগত **যোৰহাটত** কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱসৰ আয়োজন কৰা হৈছে। তিনিদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানৰ মুখ্য তোৰণ কালি মুকলি কৰা হয়। আজি সদৌ অসম ভিত্তিত বিষ্ণুৰাভা সংগীত আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কাইলৈ সাংস্কৃতিক শোভাযাত্ৰা, মূল সভা আৰু বিষ্ণুৰাভা সংগীত পৰিৱেশন কৰা হ'ব। **শোণিতপুৰ** জিলাতো কাইলৈ বিষ্ণুৰাভা দিৱস পালন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত কাইলৈ এই দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

০০০০০০

পৰহিলৈ দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত উদযাপন কৰিবলগীয়া একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বাবে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাই জিলাই যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। হোজাই জিলাত এই দিৱস উদযাপনৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আৰু লাচিত যোগ কেন্দ্ৰৰ সহযোগত এই দিৱস পালন কৰা হ'ব। দিৱসৰ

প্ৰস্তুতিৰ বুজ লৈ যোগৰ অনুশীলনে বিশ্বত শান্তিৰ পৰিৱেশ ঘূৰাই আনিব বুলি স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষে মন্তব্য কৰে।

০০০০০০০

জিলা সমাজ কল্যাণ বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত নিচামুক্তি ভাৰত অভিযানৰ সৈতে সংগতি ৰাখি বিশ্বনাথত আজি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত জিলা আয়ুক্তগৰাকীয়ে সজাগতা ৰেলীৰ ফ্লেগ অফ কৰে। অভিযানৰ সৈতে সংগতি ৰাখি আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত এখনি সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। অনাগত সময়ত জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু সামাজিক স্থানত নিচামুক্ত ভাৰত গঢ়াৰ লক্ষ্যৰে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে।

০০০০০০০

কাছাৰ জিলাৰ কালাইন-শিলচৰ পথৰ ভাংগাৰপাৰৰ হাৰং নদীৰ ওপৰৰ দলংখন ভাঙি পৰা গোচৰ সন্দৰ্ভত পাঁচজন লোকক আটক কৰা হৈছে। ধৃত পাঁচজনৰ ভিতৰত তিনিজন কেন্দ্ৰীয় বেইব্ৰিজৰ কৰ্মী আৰু দুজন হাৰিয়ানাৰ ভাৰত ইলেকট্ৰনিক্স বেইব্ৰিজৰ কৰ্মচাৰী। এই ঘটনাৰ সৈতে জড়িত তিনিগৰাকী আৰক্ষীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মন্ত্ৰী কৌশিক ৰায়ে এই ঘটনা সন্দৰ্ভত উচ্চস্তৰীয় তদন্তৰ নিৰ্দেশ দি বিষয়াসকলক বিস্তাৰিত প্ৰতিবেদন দাখিল কৰিবলৈ কয়। এই সন্দৰ্ভত কাচাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাট্টাই এইদৰে কয়-

যোৱা মঙলবাৰৰ নিশা দুখন অতিৰিক্ত বোজাই কৰা ট্ৰাক পাৰ হৈ যোৱাৰ সময়তে দলংখন ভাগি পৰিছিল। এই দলংখন ভাগি পৰাৰ ফলত গুৱাহাটীৰ পৰা শিলচৰ, হাইলাকান্দি, শ্ৰীভূমি, ত্ৰিপুৰা আৰু মিজোৰামলৈ পথৰ সংযোগ বিচ্ছিন্ন হৈ পৰে।

উল্লেখযোগ্য যে যোৱা ২১ মে'ত কাটিগড়াৰ গেমন দলংখন মেৰামতিৰ বাবে বন্ধ কৰি দিয়াৰ পাছত বিকল্প হিচাপে ভাংগাৰপাৰ দলংখন যাতায়াতৰ বাবে মুকলি কৰি দিয়া হৈছিল।

০০০০০০০

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা শিশু সুৰক্ষা গোটৰ সহযোগত আজি জিলা আয়ুক্ত কাৰ্যালয়ত এটা শিশু অনুকুল কক্ষ মুকলি কৰা হয়। এই কক্ষটোত শিশু ওমলা ঘৰ আৰু মাতৃ দুগ্ধপানৰ সুবিধাও থাকিব। জিলা আয়ুক্ত ডাঃ নেহা যাদৱে এই কক্ষৰ দ্বাৰ মুকলি কৰে। জিলা আয়ুক্ত কাৰ্যালয়লৈ অহা মাতৃ আৰু শিশুসকলৰ সুবিধা হোৱাকৈ এই ব্যৱস্থা কৰা হৈছে। এই কক্ষই মহিলাৰ প্ৰাপ্য মৰ্যাদা প্ৰদান কৰিব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**